

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ভূগোল

পাঠ – ৩

পৃথিৱীৰ উপৰিভাগ আৰু ইয়াৰ পৰিৱৰ্তন

অংশ – ৬ (প্ৰশ্ন-উত্তৰ)

জ্যোতি দাস

অনুশীলনী

১। তলত দিয়াবোৰৰ উত্তৰ লিখা—

(৩০টা মান শব্দৰ ভিতৰত)

(ক) বায়ুমণ্ডল বুলিলে কি বুজা?

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ - পৃথিৱীৰ উপৰিভাগক বায়ুৰ যি আৱৰণে আৱৰি আছে তাকে সাধাৰণ অৰ্থত বায়ুমণ্ডল বুলি কোৱা হয়। বায়ুত অক্সিজেন, নাইট্ৰজেন, কাৰ্বন-ডাই-অক্সাইড, হিলিয়াম, আৰ্গন, অ'জন আৰু হাই'ড্ৰজেন গেছ আদি থাকে। ইয়াৰ উপৰি বায়ুত ধূলিকণা আৰু ধোঁৱা মিহলি হৈ থাকে।

(খ) ফলকবোৰ এক বছৰত কিমান লৰচৰ কৰে?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰ - ফলকবোৰ এক বছৰত ১-১.৫ ছে. মি. পর্যন্ত গতি কৰে বুলি বিজ্ঞানীসকলে ঠাৱৰ কৰিছে।



(গ) সাময়িক বতাহৰ বিষয়ে লিখা।



উত্তৰ - বছৰৰ বিভিন্ন ঋতুত ভিন্ন বতাহ বলা দেখা যায়। এই বতাহৰ কাৰণ হ'ল বায়ুমণ্ডলত হোৱা তাপ আৰু চাপৰ তাৰতম্য। ইয়াৰ ফলত বায়ুৰ চাপৰো তাৰতম্য ঘটে। এনে তাৰতম্যৰ ফলত উচ্চ চাপ অঞ্চলৰ পৰা নিম্নচাপ অঞ্চললৈ যি বতাহ বলে তাকে সাময়িক বতাহ বোলে। জলবতাহ, স্থলবতাহ, মৌচুমী বতাহ আদি সাময়িক বতাহ।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(ঘ) বালিস্তূপ কি?



উত্তৰ - মৰুভূমিৰ কোনো কোনো অঞ্চলত বতাহৰ গতি কমি আহিলে ই কঢ়িয়াই অনা শিল বালিবোৰ জমা হৈ বালিস্তূপ সৃষ্টি হয় ইয়াকে বালিস্তূপ বোলে



(ঙ) অশ্বখুৰাকৃতিৰ হ্রদ কি?



উত্তৰ - সমভূমি অঞ্চলত নদীৰ গতিপথ একা-বেঁকা হয়। নদীৰ এই গতিক সর্পিল গতি বুলি কোৱা হয়। কেতিয়াবা নদীৰ এই ভাজৰ মাত্রা বাঢ়ি যায়। খৰালি কালত নদীৰ পানী কম থাকিলে এই ভাজে ভাজে নদী বৈ থাকে কিন্তু বাৰিষা নদীৰ পানী বাঢ়িলে তেনে ভাজ এৰি নদী প্রচণ্ড শক্তিৰে পোনে পোনে ববলৈ ধৰে। নদীয়ে এৰি যোৱা ভাজটোৰ মুখত বালি জমা হৈ মূল নদীৰ পৰা বিচ্ছিন্ন হয় আৰু ভাজটো বিল বা হ্রদত পৰিণত হয়। ঘোঁৰাৰ খুৰাৰ আকৃতিৰ এনেকুৱা জলাশয়বোৰক অশ্বখুৰাকৃতিৰ হ্রদ বোলে।